# ইউ পি এ চৰকাৰে শাসন কৰাৰ ইচ্ছাশক্তি হেৰুৱাই পেলাইছে নেকি ?

দিনাংক - ১৯ ডিচেম্বৰ ২০১৩

অৰুন জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

ইউ পি এ চৰকাৰে বহুত দুৰৱস্থাৰ সন্মূখীন হ'ব লগা হৈছে । চৰকাৰে সিদ্ধান্ত লোৱা ক্ষমতাত সন্দেহ উপজিচে । অৰ্থনীতিৰো উন্নতি হোৱা দেখা পোৱা নাই । মন্ত্ৰী মণ্ডলৰ মাজতো কোনো ধৰণৰ বুজা-বুজি দেখা যোৱা নাই । দুৰ্নীতিয়ে চৰকাৰৰ প্ৰতিচ্ছবিকো আঘাত সানিছে ।

প্ৰধানমন্ত্ৰীক কোনোদিন দেশৰ নেতা হিচাপে দেখা ন'গল । ইউ পি এ চৰকাৰে এতিয়ালৈকে আগন্তুক নেতা কোন হ'ব সেইয়াও ঘোষণা কৰা নাই । আনকি কংগ্ৰেছ দ'লৰ সৈতে আলোচনাতো তেওঁলোকৰ হতাশা দেখা পোৱা গৈছে । ইউ পি এ চৰকাৰে শাসন কৰাৰ ইচ্ছশক্তিও হেৰুৱাই পেলাইছে । আনকি তেওঁলোকৰ নেতাসকলেও যুজঁ দিয়ৰ ইচ্ছশক্তি হেৰুৱাই পেলাইছে । ইউ পি এ চৰকাৰৰ বেয়া শাসন আৰু নিজৰ ছবি ৰক্ষা কৰাৰ বাহিৰেও আৰু দুটা ভুল সিদ্ধান্ত আছে । তেওঁলোকৰ মন্ত্ৰী আৰু নেতাই দিয়া মন্তব্যতো ক্ষমতাৰ অহংকাৰ দেখা গৈছে । তেওঁলোকে ভাৱে যে ক্ষমতা অমৰ, আৰু কোনো ধৰণৰ ৰাজনৈতিক দ'লে তেওঁলোকক ক্ষমতাৰ পৰা আতঁৰাব নোৱাৰে । অত্যাধিক উৰ্দ্ধগামী প্ৰসাৰেও বিপদ আনে । জনসাধাৰণেও এনে ধৰণৰ প্ৰচাৰ হজম কৰিব নোৱাৰে । কেৱল ইউ পি এ ৰ নেতা সকলেহে এনে ধৰণৰ প্ৰসাৰ কৰে । কিছুদিন পূৰ্বে সমাপ্ত হোৱা সংসদৰ অধিবেশনতো এইয়াই প্ৰমাণিত হৈছে যে তেওঁলোকৰ আৰু শাসন কৰাৰ ইচ্ছাশক্তি নাই । সংসদৰ অধিবেশন আগোৱাই নিব'লৈও কোনো ধৰণৰ চেষ্টা কৰা নাই । সেই অধিবেশন মাজভাগতেই সমাপ্ত কৰি দিয়া হৈছিল । খেলিমেলিসমূহ মূলত: ইউ পি এৰ সদস্য, তেওঁলোকৰ সহযোগী দ'ল আৰু সমৰ্থক সকলেহে কৰিছে । বহুত বছৰ ধৰি লোকপাল বিলক পলম কৰোৱাৰ মূলতে আছিল ইউ পি এ চৰকাৰে এই সংশোধিত বিল মানি লোৱা নাছিল, কিন্তু এতিয়া সেই খনকে মানি লৈছে । তেওঁলোকে আন্নাৰ সৈতে কৰা আলোচনাও ভংগ কৰিছে । ২৯/১২/২০১১ তাৰিখে মই প্ৰস্তাব কৰা সংশোধনসমূহ মানি লোৱা নাছিল আৰু সেই দিনাই মধ্য ৰাত্ৰিত সংসদ ভংগ কৰি দিছিল । তেওঁলোকে চিলেক্ট কমিটিৰ দ্বাৰাও প্ৰস্তাৱিত পৰামৰ্শকো অমান্য কৰিছিল । হৈ যোৱা নিৰ্বাচনে তেওঁলোকৰ অহংকাৰক সম্পূৰ্ণৰূপে ভাঙি দিছে । এতিয়া তেওঁলোকে সকলো পৰমৰ্শৰ পক্ষে মাত মাতিছে । তেওঁলোকৰ নেতাসকলেও এতিয়া সময়ৰ সৈতে আগবাঢ়িছে । ২ বছৰ পূৰ্বে লোকসভাত উল্লেখ কৰা 'গেম ছেঞ্জাৰ' কথাও পাহৰি আজি ইয়াৰ বিপৰীতহে মত দাঙি ধৰিছে ।

আপৰ সৈতে তেওঁলোকৰ পৰিকল্পনা কি ? আপক কংগ্ৰেছ দ'লৰ 'বি শ্ৰেণীৰ' দ'ল হিচাপে কোৱাটো উচিও ন'হব, আচলতে কংগ্ৰেছহে 'বি শ্ৰেণীৰ' দ'ল হিচাপে আপক সমৰ্থন দিছে আৰু প্ৰমাণিত কৰিছে যে তেওঁলোকৰ যুজঁ দিয়াৰ ইচ্ছাশক্তি হেৰুৱাইছে । তেলেংগনা বিষয়টোক লৈ তেওঁলোকে লক্ষ্যবিহীন ভাৱে আগবাঢ়িছে । এখন নতুন ৰাজ্য গঠন হ'ব লাগে কিন্তু চৰকাৰে দুই অঞ্চলৰ প্ৰতিনিধিক এক লগ কৰাত অসমৰ্থ

হৈছে । অৰ্থনীতিক উন্নত কৰাৰ বাবেও চৰকাৰে কোনো ধৰণৰ পদক্ষেপ লোৱা নাই আৰু কৈছে যে তেওঁলোকৰ সিদ্ধান্তবিহীন আৰু দুৰ্নীতিগ্ৰস্থ ছবিৰ পৰা ওলাই আহিব'লৈও কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই । ইউ পি এ য়ে নিজৰ ভুলবোৰৰ পৰা একো শিক্ষা লাভ কৰা নাই । তেওঁলোকে কেৱল ২ জি কেলেংকৰীৰ ওপৰত আলোচনা নকৰাকৈ জে পি চিৰ গঠন কৰি সকলো আৰূপৰ পৰা মুক্ত হোৱা বুলি ভাবিছিল । এনে ধৰণৰ ভুল সিদ্ধান্তই ইউ পি এৰ ছবি আৰু বেয়াহে কৰিছে । সংসদৰ অধিবেশৰ শেষ দিনা কমিউনেল ভায়'লেন্স বিল গৃহীত কৰোৱাৰ সম্পূৰ্ণ চেষ্টা কৰিছিল । এই বিলখন বিভজনকাৰী ৰূপেহে দেখা দিব । ই সমাজত পক্ষ বিভাজন আনি দিব । ই সংবিধনৰ যুক্তৰাষ্ট্ৰীয় গাঠঁনিকো উলংঘন কৰিব । যদিও এই সকলো উদ্দেশ্য অনুপযুক্ত, গৃহমন্ত্ৰীৰ অসমৰ্থতাই এই বিলখন প্ৰস্তুত কৰাত বাধা প্ৰদান কৰিছে । তেওঁলোকে বিলখন সময়মতে ছপা সংস্কৰণ তৈয়াৰ নকৰাৰ ফলত কাৰ্য্যক্ৰমণিকাত অন্তৰ্ভূক্ত নহ'ল ।

এতিয়া ইউ পি এ চৰকাৰক খুৰা হাহঁ বুলি কোৱাতকৈ মৃত্যুমুখী হাহঁ বুলি কোৱাহে উপযুক্ত হ'ব ।